# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**------------------**

**::::::::::::::::::**

১। দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পৰাধীন ভাৰতক উদ্বুদ্ধ কৰা বংকিমচন্দ্ৰৰ অমৰ সৃষ্টি বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি আজি অসমতো উদযাপন।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ গুৱাহাটী গে'টৱে আৰু ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা উদ্যান উদ্বোধন। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পত বিত্ত মন্ত্ৰীগৰাকীৰ ব্যস্ত কাৰ্যসূচী।

৩। কাইলৈ গহপুৰত কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন অনুষ্ঠান।

৪। ন্যায়াধীশ কৌশিক গোস্বামীৰ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ। ***আৰু***

৫। মহিলা বিশ্বকাপ বিজয়ী ভাৰতীয় দলটোৰ অন্যতম সদস্যা উমা চেত্ৰীক বোকাখাটৰ স্বগৃহত কেইবাটাও সংগঠনৰ আদৰণী।

ooooo

দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পৰাধীন ভাৰতক উদ্বুদ্ধ কৰা বংকিমচন্দ্ৰৰ অমৰ সৃষ্টি বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি দেশৰ অন্য ঠাইৰ দৰে আজি অসমতো সকলো জিলা আৰু সম-জিলাত উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে জনতাভৱনত আজি আয়োজিত ৰাজ্যিক পৰ্যায়ৰ মূল অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে এই গীতটি পৰিৱেশন কৰে।

-গীত-

এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ এই দিনটো আমাৰ বাবে গৌৰৱৰ আৰু কৃতজ্ঞতাৰ দিন। তেওঁ লগতে কয়, যে বন্দে মাতৰম মাথো এটা গীত নহয়, ই হৈছে এক ঐশ্বৰিক আহ্বান, যি এসময়ত এটা শুই থকা জাতিক জগাই তুলিছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বন্দে মাতৰম গীতটো সম্পূৰ্ণ কথাংশক মূলৰূপত পৰিৱেশনৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰসংগ ক্ৰমে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰতৰ বাবে নিৰ্ধাৰণ কৰা অগ্ৰাধিকাৰৰ প্ৰায়বোৰ ক্ষেত্ৰত শেহতীয়াকৈ অসমে যথেষ্ট অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে।

অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি, গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলে সমূহীয়াকৈ বন্দে মাতৰম পৰিৱেশন কৰে। চিৰাঙৰ কাজলগাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে বন্দে মাতৰম পৰিৱেশন কৰে। মন্ত্ৰী উৰ্খাউ গৌৰা ব্ৰহ্মই এই কাৰ্যসূচীত মুখ্য

অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত **শ্ৰীভূমি জিলাত** দেশৰ ৰাষ্ট্ৰীয় গীতটো পৰিৱেশন কৰা হয়।

দেশৰ অন্য প্ৰান্তৰ দৰে **বৰপেটা জিলাতো** ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত চৰকাৰী কৰ্মচাৰীসকলৰ লগতে আৰক্ষী প্ৰশাসনৰ লোকসকলে সমূহীয়াকৈ ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰে। **শিলচৰত জিলা** বিজেপিৰ উদ্যোগত ইটাখনাৰ পৰা বিজেপি কাৰ্যালয়লৈ পদ যাত্ৰা উলিওৱা হয়। চৰাইদেউ, ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড়, তামুলপুৰ, নলবাৰী জিলাতো ৰাষ্ট্ৰীয় গীতটোৰ ডেৰশ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি সন্ধিয়া উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্প ৰাজ্যখনত পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ হৈ উঠিব বুলি আশা কৰা হৈছে। আনহাতে, সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা প্ৰকল্পটোত ছহেজাৰ ৮০০ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ব্ৰহ্মপুত্ৰৰ পাৰত ৩২৭ কোটি টকা ব্যয়সাপেক্ষে সতী ৰাধিকা শান্তি উদ্যান প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উদ্যানখন নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ নিৰ্মাণ কৰা হৈছে। খন্তেক সময় আগতে আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু পৰিবহন মন্ত্ৰী চৰণ বড়োকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ আগতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি আবেলি জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পটোৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সামগ্ৰিক দৃশ্যপট সলনি কৰিবলৈ অগ্ৰসৰ হোৱা জাগীৰোডৰ এই প্ৰকল্পত উপস্থিত থাকিবলৈ পাই তেওঁ আনন্দিত হোৱা বুলি মন্তব্য কৰে। উদ্যোগিক ক্ষেত্ৰক নতুন ৰূপ দানেৰে সমগ্ৰ অঞ্চলটোত নিয়োগৰ সুযোগ সৃষ্টি কৰিব পৰা এই প্ৰকল্পটো অসমত স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী সীতাৰমনে অসম আৰু উত্তৰ-পূৰ ভাৰতৰ থলুৱা উদ্যোগী, জ্যেষ্ঠ উদ্যোগপতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও গঠনমূলক আলোচনাত মিলিত হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী লগতে জলসম্পদ মন্ত্ৰী পীযুছ হাজৰিকা, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, মৰিগাওঁ সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, মুখ্য সচিব ড০ ৰবী কোটা, জিলা আয়ুক্ত অনামিকা তিৱাৰী, টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ ৰণধীৰ ঠাকুৰৰ লগতে অন্যান্য গন্য মান্য ব্যক্তি উপস্থিত থাকে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি এই বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া

অমৃত কলহ কঢ়িয়াই নিয়া বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হৈছে। এই বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে। ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

00000

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে জাৰি কৰা চমনৰ ভিত্তিত আজি শিল্পীগৰাকীৰ প্ৰাক্তন মেনেজাৰ তাৰছেম মিট্টাল উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হয়। তদন্তকাৰী বিষয়াই ইতিমধ্যে প্ৰাক্তন মেনেজাৰগৰাকীক সোধা-পোছা আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে এই পৰ্য্যন্ত ১০০ৰো অধিক লোকৰ ভাষ্য গ্ৰহণ কৰিছে। একেদৰে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া নেতৃত্বাধীন এজনীয়া ন্যায়িক আয়োগতো জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ভাষ্য প্ৰদানৰ প্ৰক্ৰিয়া চলি আছে।

00000

ন্যায়াধীশ কৌশিক গোস্বামীয়ে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ কৰে। উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত ন্যায়াধীশ গোস্বামীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, বাৰ এছ'ছিয়েচনৰ সভাপতিকে ধৰি অন্যান্য অধিবক্তাসকল উপস্থিত থাকে।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদ কৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি।

বাইট

কাইলৈ ৮ নৱেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত আকাশবাণীৰ ষ্টুডিঅ'ত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

লৌহপুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে শিৱসাগৰত আজি জিলা ভিত্তিত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। জয়ন্তীৰ সৈতে সংগতি ৰাখি স্থানীয় যুৱ দলৰ সন্মুখৰ পৰা ঐতিহাসিক বৰপুখুৰীৰ চাৰিওকাষে এটা বিশাল পদযাত্ৰা উলিওৱা হয়। ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাইয়ে শুভাৰম্ভ কৰা এই পদযাত্ৰাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱা প্ৰমুখ্যে জিলা প্ৰশাসন, আৰক্ষী আৰু বিভাগীয় বিষয়াবৰ্গই অংশ লয়। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ সদস্যসকলেও এই পদযাত্ৰাত অংশগ্ৰহণ কৰে। পদযাত্ৰাৰ অন্তত বল্লভ ভাই পেটেলৰ

প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুস্পাঞ্জলি অৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। ৰাজনীতিবিদ গৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি লৌহ পুৰুষগৰাকীৰ আদৰ্শৰে উদ্বুদ্ধ এখন দেশপ্ৰেমমূলক নাটকো মঞ্চস্থ কৰা হয়। ইয়াৰ লগতে যশস্বী ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱা জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ তৰফৰ পৰা দুখন প্ৰদৰ্শনীমূলত বিপনীৰ আয়োজন কৰা হয়।

০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজি দিনযোৰা কাৰ্যসূচীৰে বৃত্তিগত পাঠ্যক্ৰম সন্দৰ্ভত মাণ্ডলিক প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। ডিফুকে ধৰি জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছশৰো অধিক ছাত্ৰ ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত ড০ ভূপেন হাজৰিকা আঞ্চলিক ফিল্ম আৰু চিলিভিছন প্ৰতিষ্ঠানৰ বিভিন্ন বি্ভাগৰ মুৰববী অধ্যাপকসকল উপস্থিত থাকে। প্ৰতিষ্ঠানটোৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ফিল্ম আৰু টেলিভিছন প্ৰশিক্ষণৰ জৰিয়তে কেৰিয়াৰ গঢ়াৰ সম্ভাৱনা সম্পৰ্কে ভাৱ বিনিময় কৰে। প্ৰাক্তন বিধায়ক তথা বিশিষ্ট লেখক ধৰমসিং টেৰণে উদ্বোধন কৰা প্ৰদৰ্শনীত অসম দক্ষতা বিশ্ববিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, মধ্যপ্ৰদেশৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়, জৰ্জ টেলিগ্ৰাফ প্ৰশিক্ষণ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কেৰিয়াৰৰ বিষয়ে অৱগত কৰে।

০০০০০

ৰাষ্ট্ৰীয় কৰ্কট সজাগতা দিৱস উপলক্ষে আজি মঙলদৈৰ সনাতন ধৰ্মসভা প্ৰাঙ্গনত চলি থকা শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱস্থলীত বিভিন্ন ধৰণৰ কৰ্কট ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। মহিলাৰ স্তন আৰু জৰায়ু মুখৰ কৰ্কট ৰোগকে ধৰি বিভিন্ন কৰ্কট ৰোগৰ লক্ষণ, প্ৰতিৰোধ, চিকিৎসা আদিৰ বিষয়ে ৰাইজক অৱগত কৰোৱা হয়। দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই সজাগতা কাৰ্যসূচীত কৰ্কট চিকিৎসা প্ৰতিষ্ঠানখনৰ চিকিৎসক ডাঃ চহিদুল ইছলামকে ধৰি কেইবাগৰাকীও স্বাস্থ্য কৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা বিশিষ্ট লেখক তপন দত্তলৈ এই বছৰৰ অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। **লিজেণ্ড অফ লাচিত বৰফুকন** নামৰ মূল ইংৰাজী গ্ৰন্থখনৰ অসমীয়া অনুবাদৰ বাবে তেওঁক এই বঁটাৰ বাবে বাচনি কৰা হৈছিল। এই বঁটাত আছে এটা স্মাৰক, প্ৰশস্তি পত্ৰ আৰু ২৫ হাজাৰ টকা। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ আগত লেখক-অনুবাদক তপন দত্তই এইদৰে অনুভৱ ব্যক্ত কৰে।

***(বাইট ঃ তপন দত্ত)***

০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেটৰ খিতাপ দখল কৰাৰ পিছত আজি প্ৰথমবাৰৰ বাবে ভাৰতীয় দলটোৰ সদস্যা উমা চেত্ৰী গোলাঘাট জিলাৰ বোকাখাটৰ স্বগৃহত উপস্থিত হয়। কান্দুলীমাৰীৰ বাসগৃহত উপস্থিত হোৱাৰ পিছতেই দল-সংগঠনৰ লগতে শুভাকাংক্ষীসকলে তেওঁক আদৰণি জনায়। ৰাজ্য চৰকাৰৰ হৈ গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিং আৰু বোকাখাটৰ কেইবাটাও সংগঠনে উমা চেত্ৰীক আদৰণি জনায়। বোকাখাট জিলা ক্ৰীড়া সন্থাৰ লগতে অসম গোৰ্খা সন্মিলনী আৰু ইলেকট্ৰনিক মিডিয়া জাৰ্নেলিষ্ট এচ'ছিয়েছনৰ তৰফৰ পৰা

উমাক সম্বৰ্ধনা জনোৱা হয়। তেওঁ সংবাদমাধ্যমৰ আগত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ অভিজ্ঞতা সন্দৰ্ভত এইদৰে কয়–

*(বাইট ঃ চেত্ৰী)*

স্বগৃহত উপস্থিত হোৱাৰ পিছতেই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উমা চেত্ৰীক ফোনযোগে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। মহিলা ক্ৰিকেট দলটোৰ এই সাফল্যৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীমন্ত্ৰীগৰাকীয়ে গৌৰৱবোধ কৰা বুলি উমা চেত্ৰীক অৱগত কৰে। ইয়াৰ লগতে তেওঁ উমাক অসমৰ গৌৰৱ বুলি অভিহিত কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা ক্ৰীড়া সাংসদ খেল মহোৎসৱলৈ উমা চেত্ৰীক শ্ৰী সোণোৱালে আমন্ত্ৰণ জনায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ